**NSD NEWS BULLETIN**
**AKASHVANI, GUWAHATI**
**0000000000**

**Date : 11-06-2025**
**Time :** 1910 hrs

ASSAMESE EVENING BULLETIN

## HEADLINES

**::::::::::::::::::**

১।	কেন্দ্ৰীয় মন্ত্ৰীসভাই ছহেজাৰ ৪০৫ কোটি টকা ব্যয়সাপেক্ষ ৰে'ল মন্ত্ৰালয়ৰ দুটা প্ৰকল্পত অনুমোদন জনাইছে।

২।	কেন্দ্ৰীয় মন্ত্ৰী জীতেন্দ্ৰ সিঙে ফেমিলি পেঞ্চনধাৰক আৰু বয়োজ্যেষ্ঠ পেঞ্চনধাৰকসকলৰ ওজৰ-আপত্তি নিষ্পত্তিৰ বাবে অহা জুলাইত বিশেষ অভিযানৰ মাহজোৰা দ্বিতীয় পৰ্যায় মুকলি কৰিব।

৩।	জুলাইৰ পৰা আধাৰৰ সৈতে একাউণ্ট প্ৰামানিকৃত সকলেহে আই আৰ ছি টি চিৰ ৱেৰছাইট আৰু এপৰ জৰিয়তে অনলাইনযোগে তৎকাল টিকট বুক কৰিব পাৰিব বুলি ৰে'ল মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

৪।	বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি ব্ৰাছেলছত ইউৰোপীয় সংঘৰ অধ্যক্ষ ৰবাৰ্টা মেটছোলাৰ সৈতে গণতন্ত্ৰ আৰু  বহুত্ববাদৰ প্ৰমূল্য সন্দৰ্ভত আলোচনা কৰে। ***আৰু***

৫।	অষ্ট্ৰেলিয়াই দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে বিশ্ব টেষ্ট ছেম্পিয়নশ্বিপৰ ফাইনেলত ৪ টা উইকেটৰ বিনিময়ত ১২৩ ৰাণ সংগ্ৰহ কৰি খেলি আছে

ooooo

কেন্দ্ৰীয় মন্ত্ৰীসভাই ছহেজাৰ ৪০৫ কোটি টকা ব্যয়সাপেক্ষ ৰে'ল মন্ত্ৰালয়ৰ দুটা প্ৰকল্পত অনুমোদন জনাইছে। ইয়াৰে ভিতৰত ৩ হাজাৰ ৬৩ টকাৰে ৰূপায়ণ কৰিবলগীয়া কোদৰমা-বৰকাকানা আৰু ৩ হাজাৰ ৩৪২ কোটি টকা ব্যয়েৰে ৰূপায়ণ কৰিবলগীয়া বেল্লাৰি -চিকজাজু ৰে'ল পথ দ্বৈতকৰণ প্ৰকল্প আছে। মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তথ্য আৰু সম্প্ৰচাৰ তথা ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে ১৩৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ কোদৰমা-বৰকাকানা ৰে'ল পথ দ্বৈতকৰণ প্ৰকল্পই  ৯৩৮ খন গাওঁৰ ১৫ লাখৰো অধিক লোক উপকৃত কৰিব। তেওঁ কয় যে এই প্ৰকল্পসমূহে ঝাৰখণ্ডৰ কোদৰমা, ছত্ৰা, হজাৰিবাগ আৰু ৰামগড় জিলা সংযুক্ত কৰিব। প্ৰকল্পৰ এই অংশটো ঝাৰখণ্ডৰ গুৰুত্বপূৰ্ণ কয়লা উৎপাদন এলেকাসমূহৰ মাজেৰে পাৰ হৈ যাব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ১৮৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ বেল্লাৰি -চিকজাজু দ্বৈতকৰণ প্ৰকল্পই মেংগালোৰ বন্দৰক চিকন্দৰাবাদৰ সৈতে সংযোগ কৰিব। এই প্ৰকল্পই কৰ্ণাটকক বেল্লাৰি আৰু চিত্ৰদুৰ্গ তথা অন্ধ্ৰপ্ৰদেশৰ অনন্তপুৰ জিলা সামৰি লব বুলি  তেঁও উল্লেখ কৰে। শ্ৰীবৈষ্ণৱে কয় যে ৩ বছৰৰ ভিতৰত এই প্ৰকল্পসমূহৰ কাম সম্পূৰ্ণ কৰা হ'ব। ঝাৰখণ্ড, কৰ্ণাটক আৰু অন্ধ্ৰপ্ৰদেশৰ ৭ খন জিলা সামৰি ৰূপায়ণ কৰিবলগীয়া এই প্ৰকল্প দুটাই ভাৰতীয় ৰে'ল বিভাগৰ নেটৱৰ্ক প্ৰায় ৩১৮ কিলোমিটাৰ সম্প্ৰসাৰিত কৰিব।

ooooo

কেন্দ্ৰীয় মন্ত্ৰী জীতেন্দ্ৰ সিঙে ফেমিলি পেঞ্চনধাৰক আৰু বয়োজ্যেষ্ঠ পেঞ্চনধাৰকসকলৰ ওজৰ-আপত্তি নিষ্পত্তিৰ বাবে অহা জুলাইত বিশেষ অভিযানৰ মাহজোৰা দ্বিতীয় পৰ্যায় মুকলি কৰিব। পেঞ্চন আৰু পেঞ্চনাৰ

কল্যান বিভাগে ফেমিলি পেঞ্চনধাৰক আৰু বয়োজ্যেষ্ঠ পেঞ্চনধাৰকসকলৰ ২ হেজাৰ ২১০ টা ওজৰ আপত্তি নিষ্পত্তিৰ বাবে এই অভিযান মুকলি কৰা হ'ব। কৰ্মচাৰী, ৰাজহুৱা ওজৰ আপত্তি নিষ্পত্তি আৰু পেঞ্চন মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, পেঞ্চন বিভাগৰ সচিবৰ অধ্যক্ষতাত আজি নডেল বিষয়াসকলৰ সৈতে পেঞ্চনধাৰক সকলৰ ওজৰ আপত্তি নিষ্পত্তি সম্পৰ্কে হোৱা বৈঠকত এই বিশেষ অভিযানৰ দ্বিতীয় পৰ্যায় সুচাৰুৰূপে সম্পন্ন কৰাৰ বিষয়ে আলোচনা হয়। বৈঠকত এই অভিযানত নীতি নিৰ্দেশন সম্পৰ্কেও বিশদভাৱে আলোচনা কৰা হয়।

০০০০০

জুলাইৰ পৰা আধাৰৰ সৈতে একাউণ্ট প্ৰামানিকৃত সকলেহে আই আৰ ছি টি চিৰ ৱেবছাইট আৰু এপৰ জৰিয়তে অনলাইনযোগে তৎকাল টিকট বুক কৰিব পাৰিব বুলি ৰে'ল মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। তৎকাল টিকট বুকিঙৰ প্ৰক্ৰিয়াটো অধিক নিকা আৰু স্বচ্ছ কৰি তোলাৰ লগতে যাত্ৰীসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ উদ্দেশ্যে এই পদক্ষেপ লোৱা হৈছে। ভাৰতীয় ৰেল বিভাগে তৎকাল টিকট বুকিং প্ৰণালীৰ কেতবোৰ গুৰুত্বপূৰ্ণ সাল-সলনিৰ কথা ঘোষণা কৰিছে। এই অনুসৰি ১৫ জুলাইৰ পৰা অনলাইনযোগে তৎকাল টিকট বুকিঙৰ বাবে আধাৰ আধাৰিত অ টি পি প্ৰমাণিকৰণ বাধ্যতামূলক হ'ব।

০০০০০

কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ত্ৰিপুৰাৰ পৰা কাশ্মীৰলৈ কৰ্তব্য সম্পাদনৰ বাবে যোৱা সীমান্ত সুৰক্ষা বাহিনী- বি এছ্ এফৰ বিষয়া আৰু জোৱানক পুৰণি আৰু অনুপযোগী ৰে'লৰ সুবিধা প্ৰদান কৰাৰ বিৰুদ্ধে ইয়াৰ লগত জড়িত সংশ্লিষ্ট কৰ্তৃপক্ষৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। আলিপুৰদুৱাৰ সংমণ্ডলৰ ৩ গৰাকী জ্যেষ্ঠ জ্যেষ্ঠ শাখা অভিযন্তা আৰু ক'চিং ডিপ' বিষয়াক তাৎক্ষণিকভাৱে বলবৎ হোৱাকৈ নিলম্বন কৰিছে। শ্ৰীবৈষ্ণৱে কৈছে যে কেন্দ্ৰীয় চৰকাৰে নিৰাপত্তা বাহিনীসমূহৰ মৰ্যদা আৰু আৰামক সৰ্বোচ্চ অগ্ৰাধিকাৰ দিয়ে আৰু এনে ধৰণৰ অবহেলাৰ ঘটনা কোনো পৰ্যায়তে কেতিয়াও সহ্য কৰা নহয়। বি এছ্ এফৰ বিষয়া জোৱানসকলক সন্মান আৰু সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি আগৰতলাৰ পৰা এখন এখন বিশেষ ৰে'লৰ ব্যৱস্থা কৰা হৈছে। ৰে'ল মন্ত্ৰালয়ে লগতে এই ঘটনাটোৰ সন্দৰ্ভত সবিশেষ তদন্তৰ নিৰ্দেশ দিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সামাজিক মাধ্যমত এঘাৰ বছৰৰ সামগ্ৰিক বিকাশ আৰু দেশৰ সমৃদ্ধি সন্দৰ্ভত এটা প্ৰৱন্ধ ছেয়াৰ কৰিছে। দেশৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই প্ৰৱন্ধটো লিখিছে। পোষ্টটোত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শ্ৰীমোদীয়ে বিগত এঘাৰ বছৰত দেশৰ সামগ্ৰিক বিকাশত উল্লেখযোগ্য পৰিৱৰ্তন আৰু দেশক সমৃদ্ধিশালী আৰু উন্নত কৰাৰ ক্ষেত্ৰত উল্লেখযোগ্য দিশসমূহৰ কথা উল্লেখ কৰে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি ব্ৰাছেলছত ইউৰোপীয় সংঘৰ অধ্যক্ষ ৰবাৰ্টা মেটছোলাৰ সৈতে ভাৰত আৰু ইউৰোপীয় সংঘৰ সংসদীয় সম্বন্ধক সুদৃঢ় কৰাৰ বাবে গণতন্ত্ৰ আৰু বহুত্ববাদৰ প্ৰমূল্যসমূহৰ সন্দৰ্ভত আলোচনা কৰে। বৈঠকৰ পাছত সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে কয় যে ভাৰত আৰু ইউৰোপীয় সংঘই বাণিজ্য, প্ৰযুক্তি আৰু সুৰক্ষাৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত তেওঁ ইতিবাচক সঁহাৰি দিছে। আমাৰ সংবাদদাতাই জানিবলৈ দিছে যে ভাৰত আৰু ইউৰোপীয় সংঘৰ দ্বিপাক্ষিক কৌশলগত সম্বন্ধ

বিগত বৰ্ষসমূহত বিভিন্ন খণ্ডত সুদৃঢ় হৈছে আৰু চলিত বৰ্ষৰ ফেব্ৰুৱাৰীৰ ইউৰোপীয় সংঘৰ আয়ুক্তই প্ৰথমবাৰৰ বাবে ভাৰত ভ্ৰমণ কৰাৰ পাছত ই আৰু অধিক বৃদ্ধি হৈছে।

ড০ জয়শংকৰে বাণিজ্য আৰু বিত্তীয় সুৰক্ষাৰ ইউৰোপীয় আয়ুক্ত মাৰোচ ছেফকোভিকো সাক্ষাৎ কৰে। তেওঁলোকে ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত এটা উমৈহতীয়া আৰু ভাৰসাম্য থকা মুক্ত বাণিজ্য চুক্তিৰ অগ্ৰগতি সন্দৰ্ভত আলোচনা কৰে।

০০০০০

সেৱা, সুশাসন আৰু দৰিদ্ৰ কল্যাণৰ আদৰ্শৰে দেশে ৰূপান্তৰৰ এটা দশক সম্পূৰ্ণ কৰিছে। চৰকাৰে যোৱা ১১ বছৰে বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ সন্দৰ্ভত আকাশবাণীয়ে বিশেষভাৱে প্ৰচাৰ কৰিছে। এনে প্ৰচাৰৰ অংশ হিচাপে আজি আমি ভাৰতৰ পৰিবহণ আন্তঃগাঁথনিৰ ৰূপান্তৰ সম্পৰ্কে আলোকপাত কৰিবলৈ লৈছো।

**ভইচ**

০০০০

ৰাচিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ পুটিনৰ সহযোগী ভ্লাদিমীৰ মেদিনস্কীয়ে কৈছে যে, মস্কোৱে শান্তি বিচাৰে কিন্তু ইউক্ৰেইনে পশ্চিমীয়া দেশৰ কথা নুশুনি শান্তি স্থাপনৰ ক্ষেত্ৰত ভূমিকা লব লাগিব। মেদিনস্কীয়ে ইয়াৰ পূৰ্বে অৱগত কৰিছিল যে বৰ্হিঃশক্তিৰ প্ৰৰোচনাত নপৰি যদি ইউক্ৰেইনে দেশৰ স্বাৰ্থক অগ্ৰাধিকাৰ দিয়ে তেতিয়া ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত পাৰস্পৰিক বুজাবুজি সম্ভৱ হ'ব পাৰে। তেওঁ লগতে কয় যে, ইউক্ৰেইনে বহিঃশক্তিৰ প্ৰভাৱত অস্থিৰ পৰিস্থিতি অব্যাহত ৰাখে তেতিয়া ৰাছিয়াইও ইয়াৰ যোগ্য প্ৰত্যুত্তৰ দিব।

ইতিমধ্যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিৰক্ষা মন্ত্ৰী পেট হেগছেথে ঘোষণা কৰিছে যে ট্ৰাম্প প্ৰশাসনে অহা বৰ্ষৰ পৰা ইউক্ৰেইনৰ বাবে প্ৰতিৰক্ষা বাজেট কৰ্তন কৰিব। সংবাদ মাধ্যমৰ সূত্ৰ অনুসৰি ২০২২ চনৰ পৰা ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত হোৱাৰ পাছত আমেৰিকা যুক্তৰাষ্ট্ৰই ইউক্ৰেইনলৈ ৬৬ বিলিয়ন ডলাৰৰ অধিক পুঁজি প্ৰদান কৰিছে।

০০০০০

দোহাত থকা ভাৰতীয় দূতাবাসে আজি জানিবলৈ দিছে যে কেনিয়াত সংঘটিত এটা বাছ দুৰ্ঘটনাত ৫ গৰাকী ভাৰতীয় লোক মৃত্যু হোৱাৰ ঘটনাৰ সবিশেষ বুজ লৈ আছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত দূতাবাসে জানিবলৈ দিছে যে যোৱা নিশা ৫ গৰাকী লোকৰ মৰনোত্তৰ পৰীক্ষা কৰা হয়। কেনিয়াৰ নাইৰোবিত থকা ভাৰতীয় উচ্চায়ুক্তই মৃত লোককেইজনৰ নশ্বৰ দেহ ভাৰতলৈ প্ৰেৰণ কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। বাছ দুৰ্ঘটনাত আহত হোৱা আন ২৩ গৰাকী ভাৰতীয় লোকক নাইৰোবিৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়।

০০০০০

অষ্ট্ৰেলিয়াই দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে লৰ্ডছত অনুষ্ঠিত বিশ্ব টেষ্ট ছেম্পিয়নশ্বিপৰ ফাইনেলত আমালৈ বাতৰি অহাৰ পৰলৈকে ৪ টা উইকেটৰ বিনিময়ত ১২৩ ৰাণ সংগ্ৰহ কৰি খেলি আছিল। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়।

০০০০০

সমাপ্ত